**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-SEP-2025
**Time :** 1800 HRS

***Assamese Evening Bulletin***

-------------------

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৫ সংখ্যক জন্মদিনৰ সৈতে সংগতি ৰাখি আয়োজন কৰা **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ ২০২৫** শীৰ্ষক ৰাজ্যিক অনুষ্ঠানৰ গুৱাহাটী বশিষ্ঠ মন্দিৰ প্ৰাংগণত আজি গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই শুভাৰম্ভ কৰে। স্বচ্ছ ভাৰত অভিযান, গ্ৰামীণ আৰু স্বচ্ছ ভাৰত অভিযান নগৰৰ সহযোগত গুৱাহাটী পৌৰ নিগমে আয়োজন কৰা এই অনুষ্ঠানৰ শুভাৰম্ভ কৰি মন্ত্ৰী শ্ৰীমল্লবৰুৱাই কয়, যে প্ৰধানমন্ত্ৰী মোদীয়ে কাৰ্যভাৰ গ্ৰহণ কৰাৰ পৰাই স্বচ্ছতাৰ প্ৰতি গুৰুত্ব প্ৰদান কৰি আহিছে। সেয়েহে প্ৰধানমন্ত্ৰীগৰাকীয়ে প্ৰতিবছৰে স্বচ্ছতাই সেৱা কাৰ্যসূচী গ্ৰহণ কৰাৰ বাবে ৰাজ্যসমূহক আহ্বান জনায়। মন্ত্ৰীগৰাকীয়ে কয়, যে **স্বচ্ছতাই সেৱা আৰু সেৱাই সমৰ্পণ** শীৰ্ষক কাৰ্যসূচীৰ জৰিয়তে ৰাজ্যখনত বহনক্ষম স্বচ্ছতাৰ পৰিৱেশ সৃষ্টিত অৰিহণা যোগাব। ভাষণ প্ৰসংগত মন্ত্ৰীগৰাকীয়ে কয়, যে প্ৰধানমন্ত্ৰীৰ জন্মদিন উপলক্ষে আজিৰ ৰাজ্যৰ বিভিন্ন প্ৰান্তত ৰক্তদান শিবিৰ অনুষ্ঠিত হৈছে।

চৰাইদেউ জিলাতো প্ৰদানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ জন্মদিনৰ সৈতে সংগতি ৰাখি সেৱা সপ্তাহৰ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই উপলক্ষে আজি ৰক্তদান শিবিৰ, চিকিৎসা আৰু স্বাস্থ্য শিবিৰ অনুষ্ঠিত হয়।

**ভইছ**

হোজাই জিলাত সেৱা সপ্তাহ উপলক্ষে শ্ৰীমন্ত শংকৰদেৱ নগৰত গছপুলি ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰা হয়। এই অনুষ্ঠানত হোজাইৰ বিধায়ক ৰামকৃষ্ণ ঘোষ আৰু জিলা আয়ুক্ত বিদ্যুৎ বিকাশ ভাগৱতী উপস্থিত থাকে।

গোলাঘাটত অনুষ্ঠিত জিলা পৰ্যায়ৰ কাৰ্যসূচীত বিত্ত তথা মহিলা আৰু শিশু কল্যাণ বিভাগৰ মন্ত্ৰী অজন্তা নেওগ উপস্থিত থাকে।

ooooo

কেন্দ্ৰীয় চৰকাৰে অসম আৰু তামিলনাডু গ্ৰাম্য স্থানীয় নিকায়সমূহৰ বাবে পঞ্চদশ বিত্ত আয়োগৰ অধীনত ৩৪২ কোটিৰো অধিক টকাৰ অনুদান মোকলাই দিছে। কেন্দ্ৰীয় পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কৈছে, যে ২০২৫-২৬ বিত্তীয় বৰ্ষৰ বাবে অসমলৈ ২১৪  আৰু তামিলনাডুলৈ ১২৭ কোটিৰো অধিক টকা মোকলাই দিয়া হৈছে। এই ধনৰাশি অনাময় আৰু মুকলিত মলত্যাগ অভ্যাসৰ বিলুপ্তি, ঘৰুৱা আৱৰ্জনাৰ ব্যৱস্থাপনা আৰু পুনৰ ব্যৱহাৰ, খোৱাপানী যোগান, বৰষুণৰ পানীৰ সংৰক্ষণ আৰু পুনৰ ব্যৱহাৰৰ দৰে বুনিয়াদী সেৱাৰ বাবে ব্যৱহাৰ কৰা হ'ব।

ooooo

কাছাৰ জিলাৰ শিলচৰৰ জয়ন্ত নাৰায়ণ দাসক পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য হিচাপে নিযুক্তি দিয়া হৈছে। উত্তৰ-পূবৰ প্ৰথমজন ব্যক্তি হিচাপে দাস পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ নিয়ন্ত্ৰণ ব'ৰ্ডৰ সদস্য হিচাপে নিৰ্বাচিত হৈছে। শেহতীয়াকৈ তেওঁ ইন্দ্ৰধনুষ গেছ গ্ৰীড লিমিটেডৰ মহাপ্ৰৱন্ধক হিচাপে কৰ্মৰত হৈ আছিল।

০০০০০

ৰকেন্দ্ৰীয় বন্দৰ, জাহাজ পৰিবহণ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ উপস্থিতিত আজি ডিব্ৰুগড় জিলাৰ বকপাৰাত **স্বাস্থ্যৱান নাৰী, শক্তিশালী পৰিয়াল** অভিযান উপলক্ষে বিশেষ কাৰ্যসূচী অনুষ্ঠিত হয়। এই অনুষ্ঠানত বিধায়ক চক্ৰধৰ গগৈ, ডিব্ৰুগড় জিলা আয়ুক্ত বিক্ৰম কৈৰী, ডিব্ৰুগড় জিলা উন্নয়ন প্ৰাধিকৰণৰ অধ্যক্ষ অসীম হাজৰিকাৰ লগতে স্বাস্থ্য বিভাগ, সমাজ কল্যাণ বিভাগৰ কেইবাজনো বিষয়া উপস্থিত থাকে। অনুষ্ঠানৰ সৈতে সংগতি ৰাখি জিলা সমাজ কল্যাণ বিভাগৰ তৰফৰ পৰা বিভাগৰ বিভিন্ন আঁচনি আৰু কাম-কাজ প্ৰদৰ্শন কৰা হয়। ইয়াৰ লগতে পোষণ অভিযানৰ অন্তৰ্গত পোষণ মাহৰ শুভাৰম্ভ কৰা হয়। অনুষ্ঠানত বিভিন্ন পৰিপুষ্টিমূলক খাদ্য প্ৰদৰ্শন কৰাৰ লগতে প্ৰধানমন্ত্ৰী মাতৃ বন্দনা যোজনা আঁচনিৰ অধীনত যোগ্য হিতাধিকাৰীসকলৰ পঞ্জীয়নো কৰা হয়।

০০০০০

।ৰিকৰী বিদ্যাৰ অধিষ্ঠাতা, বিশ্বখনিকৰ শ্ৰীশ্ৰীবিশ্বকৰ্মা পূজা আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত পৰম্পৰাগত ৰীতি আৰু উলহ মালহেৰে পালন কৰা হয়। আজি পুৱাৰে পৰা গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যৰ বিভিন্ন অঞ্চলৰ পূজা মণ্ডপসমূহত বিশ্বখনিকৰক আৰাধনা কৰা হয়। এই পূজাৰ লগে লগে ৰাজ্যখনত শাৰদীয় পূজাৰ পৰিৱেশৰো সূচনা হৈছে। ৰাজ্যৰ বিভিন্ন কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী প্ৰতিষ্ঠান, কাৰিকৰী প্ৰতিষ্ঠান, ছপাশাল আদিত সমূহীয়াভাৱে পূজাৰ আয়োজন কৰাৰ লগতে ব্যক্তিগত ভাবেও বিশ্বকৰ্মা পূজা অনুষ্ঠিত হয়। এই উপলক্ষে ৰাজ্যৰ বিভিন্ন স্থানত নাম প্ৰসংগ, সাংস্কৃতিক অনুষ্ঠান আদিও অনুষ্ঠিত হৈছে।

আকাশবাণী গুৱাহাটীৰ চৌহদত আজি পৰম্পৰাগত ৰীতি-নীতিৰে বিশ্বকৰ্মা পূজা পালন কৰা হয়। এই পূজাত কেন্দ্ৰটোৰ বিষয়া-কৰ্মীসকলে বিশ্ব খনিকৰৰ আশীষ গ্ৰহণ কৰে।

০০০০০

সমাপ্ত